## ৫.৪. কৃতকাৰ্য পৰিকল্পনাৰ বাবে আৱশ্যকীয় সমূহ

এখন ৰাষ্ট্ৰৰ অৰ্থ নৈতিক, সামাজিক, সামৰিক সকলো দিশতে উন্নয়নৰ লক্ষ্য আগত ৰাখি কেন্দ্ৰীয় পৰিকল্পনা কৰ্তৃত্বই গ্ৰহণ কৰা কৌশলেই পৰিকল্পনা। Dr. Daltonৰ ভাষাত "Economic planning in the widest sense is the deliberate direction by persons incharge of large resources of economic activity towards chosen ends. আকৌ Dickisonৰ মতে "the making of major economic decisions what and how much is to be produced, how, when and where it is to be produced, to whom it is to be allocated, by the conscions decisio of a determinate authority, on the basis of comprehensive survey of the economic system as a whole." সেয়েহে পৰিকল্পনাৰ কিছুমান নিৰ্ধাৰিত লক্ষ্য আৰু উদ্দেশ্য থাকে, এই লক্ষ্য আৰু উদ্দেশ্য সমূহৰ কৃতকাৰ্যতাই এখন ৰাষ্ট্ৰৰ অৰ্থ নৈতিক, সামাজিক আদি সকলো দিশত সাফল্য লাভ কৰায়। পৰিকল্পনাৰ কৃতকাৰ্যতাৰ ওপৰতে সকলো দিশ নিৰ্ভৰ কৰে। পৃথিৱীৰ বিভিন্ন দেশে পৰিকল্পনা গ্ৰহণ কৰি সফলতা লাভ কৰিছে। পৰিকল্পনাৰ কৃতকাৰ্যতা বহুতো আৱশ্যকীয় কাৰণৰ ওপৰত নিৰ্ভৰ কৰে। সেই সমূহ চমুৱাই আলোচনা কৰা হ'ল।

1. **পৰিকল্পনা আয়োগ** ( Planning Commission ) : এখন পৰিকল্পনাৰ প্ৰথম আৱশ্যকীয় হৈছে পৰিকল্পনা আয়োগ। এই আয়োগখন বিভিন্ন পাৰদৰ্শি ব্যক্তি অৰ্থনীতিবিদ, পৰিসংখ্যাবিদ, অভিযন্তা ইত্যাদিৰ যোগে গঠন কৰিব লাগে আৰু ইয়াক বিভিন্ন ভাগ উপভাগত বিভক্ত কৰিব লাগে।

2. **পাৰিসংখ্যিক তথ্য** (Statistical Data) : দেশখনৰ সমূহ সম্পদৰ প্ৰকৃত জৰীপ হব লাগে আৰু কোন কোন দিশত পিছপৰি আছে তাৰ বিতং তথ্য সংগ্ৰহ অন্য এক আৱশ্যকীয় চৰ্ত। ইয়াৰ ওপৰত ভিত্তি কৰি পৰিকল্পনাৰ সম্পদ আহৰণ আৰু লক্ষ্য নিৰ্ধাৰণ কৰা হয়। ইয়াৰ বাবে কেন্দ্ৰীয় পৰিকল্পনা সংস্থা গঠন আৰু বিভিন্ন তথ্য সংগ্ৰহৰ ব্যৱস্থা লব লাগে।

3. **উদ্দেশ্য** ( Objectives ) : পৰিকল্পনাৰ কিছুমান নিৰ্ধাৰিত উদ্দেশ্য আয়—জাতীয় আয় জনমূৰী আয় বৃদ্ধি, নিয়োগ সুবিধা বৃদ্ধি, আয় আৰু সম্পদৰ ক্ষমতা হ্ৰাস, কৃষি উৎপাদন বৃদ্ধি, অৰ্থনীতিখনক উদ্যোগীকৰণ কৰা, সম আঞ্চলিক উন্নয়ন সাধন, স্বাৱলম্বিতা আহৰণ ইত্যাদি অৰ্থনীতিখনৰ প্ৰয়োজন অনুসাৰে লক্ষ্য নিৰ্ধাৰণ কৰা উচিত।

4. **লক্ষ্য নিৰ্ধাৰণ আৰু অগ্ৰাধিকাৰ** ( Fixation of Target and Priority ) : পৰিকল্পনাত নিৰ্ধাৰণ কৰা উদ্দেশ্যসমূহ কিমান লক্ষ্যত উপনিত হব লাগিব আৰু ক'ত বেছি অগ্ৰাধিকাৰ দিব লাগিব তাক প্ৰাৰম্ভিকভাৱে প্ৰস্তুত কৰা আৱশ্যক। এই লক্ষ্যসমূহ সামূহিক আৰু খণ্ড ভিত্তিক।

লুইছ ( Lewis )-ৰ মতে—Sound governmental Planning consists of establishing intelligent Priorties for the public investment programme and formulating a sensible and consistent set of public policies to encourage growth in the private sector".

5. **সম্পদ আহৰণ** (Mobilisation of Resources) : পৰিকল্পনাখন কাৰ্যতঃ ৰূপ দিবলৈ বিভিন্ন উৎসৰ পৰা কিমান সম্পদ আহৰণ হব তাক প্ৰথমে নিৰ্ধাৰণ কৰা হয়। বিভিন্ন আভ্যন্তৰীণ আৰু বাহ্যিক সম্পদৰ যোগে পৰিকল্পনাৰ বিত্ত যোগদান কৰা হয়। সঞ্চয়, লাভ, ঘাটি বিত্ত, ইয়াৰ উপৰি বৈদেশিক ঋণ ইত্যাদি সম্পদ আহৰণৰ উৎস।

6. **পৰিকল্পনাত সমতা** ( Balancing in the plan ) : এখন পৰিকল্পনাই অৰ্থনীতিখনত প্ৰকৃত সমতা নিশ্চিত কৰিব লাগিব। সঞ্চয় আৰু বিনিয়োগৰ মাজত সমতা থাকিব লাগিব, দ্ৰব্যৰ চাহিদা যোগানৰ মাজত সমতা থাকিব লাগিব, মানৱ-শক্তি আৱশ্যকতা আৰু প্ৰাচুৰ্য, আমদানি চাহিদা আৰু বৈদেশিক বিনিময়ৰ প্ৰাচুৰ্য ইত্যাদিৰ মাজত সমতা থাকিব লাগিব।

7. দুৰ্নীতিমুক্ত আৰু পাৰদৰ্শি প্ৰশাসন ( Incorrupt and Efficient Administration ) : এখন পৰিকল্পনা কৃতকাৰ্য হবলৈ দুৰ্নীতিমুক্ত, পাৰদৰ্শি প্ৰশাসন ব্যৱস্থা অত্যন্ত আৱশ্যকীয়। পিছপৰা ৰাষ্ট্ৰসমূহ এই দিশত যথেষ্ট পিছপৰি আছে। Lewis-ৰ মতে কৃতকাৰ্য পৰিকল্পনাৰ বাবে এইটো প্ৰথম চৰ্ত। বিভিন্ন মন্ত্ৰণালয়ত দুৰ্নীতিমুক্ত পাৰদৰ্শি ব্যক্তি নিযুক্তি দি পৰিকল্পনা কাৰ্যকৰী কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ৰাছিয়াত পৰিকল্পনা কৃতকাৰ্য হোৱাৰ মূল কথা হ'ল সুদক্ষ প্ৰশাসন। Lewis-ৰ মতে "a highly trained and disciplined priestly order of the Communist Party." আকৌ Lewis-এ মন্তব্য দিছে "The Secret of sucessful planning lies more in sensible politics and good public administration".

8. **প্ৰকৃত উন্নয়নমূলক নীতি** ( Proper Devlopment Policy ) : ৰাষ্ট্ৰই প্ৰকৃত উন্নয়নমূলক নীতি গ্ৰহণ কৰিব লাগে যাতে উন্নয়ন প্ৰক্ৰিয়া ব্যাহত কৰা কোনো অৱস্থাৰ সৃষ্টি নহয়। অধ্যাপক Lewi -এ এনে উন্নয়নমূলক নীতিত থাকিব লগা মুখ্যকাৰক সমূহৰ তালিকা দিছে। (i) উন্নয়নমূলক সামগ্ৰী সমূহৰ অনুসন্ধান, জাতীয় সম্পদসমূহৰ জৰীপ, বৈজ্ঞানিক গৱেষণা, বজাৰ গৱেষণা, (ii) পৰ্যাপ্ত বুনিয়াদৰ সুবিধা ( পানী, শক্তি, পৰিবহণ, যোগাযোগ ইত্যাদি ), (iii) অৰ্থনৈতিক কাৰ্যাৱলীৰ ন্যায়িক কাঠামোৰ উন্নয়ন, বিশেষকৈ ভূমি ব্যৱস্থা, নিগম আৰু ব্যৱসায়িক লেনদেনৰ আইনৰ (iv) বিশেষ প্ৰশিক্ষণ সুবিধা, সেইদৰে সাধাৰণ শিক্ষাৰ সম্প্ৰসাৰণ যাতে আৱশ্যকীয় কৌশলি ব্যক্তি নিশ্চিত হয়। (v) অধিক আৰু উন্নত বজাৰ সৃষ্টি ; সামগ্ৰি বজাৰ, চিকিওৰিটি একচেঞ্জ, বেংক, বীমা আৰু অন্যান্য ঋণ সুবিধা হোৱা উচিত। (vi) সম্পদ-সমূহ উৎকৃষ্ট ব্যৱহাৰ উন্নতি, (vii) ৰাজহুৱা আৰু ব্যক্তিগত উভয় খণ্ডত সঞ্চয় বৃদ্ধি। এখন উন্নয়নমূলক পৰিকল্পনা এই দিশসমূহৰ ওপৰত নিৰ্ভৰ কৰে।

9. **প্ৰশাসনৰ অৰ্থনীতি** ( Economy in Administration ) : ৰাষ্ট্ৰৰ প্ৰশাসন যন্ত্ৰটো মিতব্যয়ী হোৱা উচিত। Shriman Narayan ৰ মতে : "The people must fell confident that every pie that they pay to the goverment through taxation and borrowings in properly spend for their welfare and development, and not dissipated away".

10. **শিক্ষা ভিত্তি** ( An Education Base ) : পাৰদৰ্শি প্ৰশাসনৰ বাবে দৃঢ় শিক্ষা সুবিধা আৱশ্যকীয়। পৰিকল্পনা কৃতকাৰ্য হবলৈ হলে জনসাধাৰণৰ নৈতিক মানদণ্ড উন্নত হব লাগিব। ভাল শিক্ষা ব্যৱস্থাৰ অবিহনে এইটো সম্ভৱ নহয়। "Without creating honest and efficient human beings in the

country, it would not be feasible to undertake economic planning an a big sale."

11. ভোগ তত্ব ( A Theory of Consumption ) : পৰিকল্পনা কৃতকাৰ্য হবলৈ এক উপযুক্ত ভোগতত্ব আৱশ্যক হয়। পিছপৰা ৰাষ্ট্ৰসমূহে উন্নত ৰাষ্ট্ৰসমূহৰ উপভোগ আদৰ্শ অনুসৰণ কৰা উচিত নহয়। উপভোগ তত্বটো গণতান্ত্ৰিক হোৱা উচিত।

12. জনসাধাৰণৰ সহযোগ ( Public Co-operation ) : এখন গণতান্ত্ৰিক ৰাষ্ট্ৰত পৰিকল্পনা কৃতকাৰ্য হবলৈ সকলোতকৈ বেছি আৱশ্যকীয় হৈছে জনসাধাৰণৰ সক্ৰিয় সহযোগ। অৰ্থ নৈতিক পৰিকল্পনা দলীয় ৰাজনীতিৰ উৰ্দ্ধত। পৰিকল্পনা সকলোৰে সমৰ্থনত হোৱা উচিত। জনসাধাৰণৰ প্ৰতিনিধিসকলে যেতিয়া পৰিকল্পনাখন অনুমোদন কৰে তেতিয়াই ই জাতীয় পৰিকল্পনা হয়। জন সমৰ্থন নাপালে কোনো পৰিকল্পনা কৃতকাৰ্য নহয়। Lewis-ৰ মতে : "Popular enthusiasm is both the lubricating oil of planning and the petrol of economic development, a dynamic force that markes all things possible".

**পুনৰ আলোচনাৰ বিষয়সমূহ** ( Concepts for review ) :

+ আৰ্থিক পৰিকল্পনা
+ গণতান্ত্ৰিক পৰিকল্পনা
+ প্ৰণোদিত পৰিকল্পনা
+ নিৰ্দেশাত্মক-পৰিকল্পনা
+ প্ৰাকৃতিক বা আবয়িক পৰিকল্পনা
+ ভবিষ্যৎদৰ্শী পৰিকল্পনা
+ ঘূৰণ পৰিকল্পনা
+ পৰিকল্পনা আয়োগ
+ পৰিকল্পনাত সমতা
+ জনসাধাৰণৰ সহযোগ
+ সৰ্বাত্মক পৰিকল্পনা
+ কেন্দ্ৰীভূত পৰিকল্পনা
+ বিকেন্দ্ৰীকৃত পৰিকল্পনা
+ বিনিয়োগ মীমাংসা
+ শ্ৰম নিয়োজিত উৎপাদন পদ্ধতি
+ মূলধন নিয়োজিত উৎপাদন পদ্ধতি